**UG AS S2-01**
**(DSC/DSE)**

চাৰি বছৰীয়া স্নাতক পাঠ্যক্ৰম

(চি.বি.চি.এচ.; এন.ই.পি-২০২০ অনুসৰি)

দ্বিতীয় ষাণ্মাসিক

# আধুনিক অসমীয়া সাহিত্যৰ বুৰঞ্জী
## (২০০০ খ্ৰীঃ লৈ)

# অসমীয়া

পদ্মনাথ গোহাঞিবৰুৱা মানৱিকী বিদ্যা অধ্যয়ন সত্ৰ

**কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়**

## বিষয় বিশেষজ্ঞ মণ্ডলী

**ড° দীপ্তি ফুকন পাটগিৰি**, অধ্যাপিকা (অৱসৰপ্ৰাপ্ত), অসমীয়া বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
**ড° বিমল মজুমদাৰ**, অধ্যাপক, অসমীয়া বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
**ড° অনুৰাধা শর্মা**, অধ্যাপিকা, আধুনিক ভাৰতীয় ভাষা আৰু সাহিত্য অধ্যয়ন বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়

**সমন্বয়ৰক্ষী ঃ ড° মৃণাল জ্যোতি গোস্বামী,** সহকাৰী অধ্যাপক, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

## প্রস্তুতি গোটৰ সদস্য

| অধ্যায় | অধ্যায়ৰ নাম | লেখক |
|---|---|---|
| ১ | প্রাক্-স্বাধীনতাকালৰ অধুনিক অসমীয়া সাহিত্য | ড° বিমল মজুমদাৰ, অধ্যাপক, গুৱাহাটী বিশ্ববিদ্যালয়<br>ড° মৃণাল জ্যোতি গোস্বামী |
| ২ | প্রাক্-অৰুণোদয় যুগৰ সাহিত্য | ড° বিমল মজুমদাৰ আৰু ড° মৃণাল জ্যোতি গোস্বামী |
| ৩ | অৰুণোদয় যুগৰ সাহিত্য— ১ | ড° বিমল মজুমদাৰ আৰু ড° মৃণাল জ্যোতি গোস্বামী |
| ৪ | অৰুণোদয় যুগৰ সাহিত্য— ২ | ড° বর্ণালী ডেকা, সহকাৰী অধ্যাপক<br>পূব কামৰূপ মহাবিদ্যালয়<br>ড° মৃণাল জ্যোতি গোস্বামী |
| ৫ | অৰুণোদয় পৰৱর্তীকালৰ আধুনিক অসমীয়া সাহিত্য— ১ | ড° মৃণাল জ্যোতি গোস্বামী |
| ৬ | অৰুণোদয় পৰৱর্তীকালৰ আধুনিক অসমীয়া সাহিত্য— ২ | ড° বসন্ত কুমাৰ ভট্টাচার্য, নলবাৰী মহাবিদ্যালয়<br>ড° মৃণাল জ্যোতি গোস্বামী |
| ৭ | অৰুণোদয় পৰৱর্তীকালৰ আধুনিক অসমীয়া সাহিত্য— ৩ | ড° জোনমণি গগৈ, সহকাৰী অধ্যাপক<br>কৃষ্ণ ৰৱা বিএড মহাবিদ্যালয় |
| ৮ | অৰুণোদয় পৰৱর্তীকালৰ আধুনিক অসমীয়া সাহিত্য— ৪ | ড° মৃণাল জ্যোতি গোস্বামী |
| ৯ | স্বাধীনতাৰ পৰৱর্তীকালৰ আধুনিক অসমীয়া সাহিত্য— ১ | ড° মৃণাল জ্যোতি গোস্বামী |
| ১০ | স্বাধীনতাৰ পৰৱর্তীকালৰ আধুনিক অসমীয়া সাহিত্য— ২ | ড° বসন্ত কুমাৰ ভট্টাচার্য |
| ১১ | স্বাধীনতাৰ পৰৱর্তীকালৰ আধুনিক অসমীয়া সাহিত্য— ৩ | ড° মৃণাল জ্যোতি গোস্বামী |
| ১২ | স্বাধীনতাৰ পৰৱর্তীকালৰ আধুনিক অসমীয়া সাহিত্য— ৪ | ড° জোনমণি গগৈ |
| ১৩ | স্বাধীনতাৰ পৰৱর্তীকালৰ আধুনিক অসমীয়া সাহিত্য— ৫ | ড° মৃণাল জ্যোতি গোস্বামী |
| ১৪ | স্বাধীনতাৰ পৰৱর্তীকালৰ আধুনিক অসমীয়া সাহিত্য— ৬ | ড° ৰূপম বৰঠাকুৰ, সহকাৰী অধ্যাপক, এম. চি. কলেজ<br>ড° মৃণাল জ্যোতি গোস্বামী<br>ড° বিউটি গগৈ, সহকাৰী অধ্যাপক, ইউ. এম. কে. কলেজ |

## সম্পাদনা

**বিষয়বস্তু আৰু ভাষা সম্পাদনা ঃ ড° প্রাণ্‌জিৎ বৰা**, অধ্যাপক, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
**গাঁথনিক সম্পাদনা ঃ ড° মৃণাল জ্যোতি গোস্বামী,** সহকাৰী অধ্যাপক, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

জানুৱাৰী, ২০২৪

*This Self Learning Material (SLM) of the Krishna Kanta Handiqui State Open University is made available under a Creative Commons Attribution-Non Commercial-Share Alike 4.0 License (international) http://creativecommons.org/licenses/by-nc-sa/4.0/*

*কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।*

মুখ্য কার্যালয় ঃ পাটগাঁও, ৰাণী গেট, গুৱাহাটী - ৭৮১ ০১৭
নগৰ চৌহদ ঃ ৰাষ্ট্রীয় ঘাইপথ-৩৭, ৰেচম নগৰ, খানাপাৰা, গুৱাহাটী - ৭৮১০২২; www.kkhsou.ac.in

# বিষয়সূচী


| | | পৃষ্ঠা নং |
|---|---|---|
| **অধ্যায় ১ ঃ** | **প্রাক্-স্বাধীনতাকালৰ আধুনিক অসমীয়া সাহিত্য**<br>প্রাক্-স্বাধীনতাকালৰ আধুনিক অসমীয়া সাহিত্য ঃ পটভূমি, বৈশিষ্ট্য আৰু সাহিত্যৰ বিবিধ বিধা | ৫-১৭ |
| **অধ্যায় ২ ঃ** | **প্রাক্-অৰুণোদয় যুগৰ সাহিত্য**<br>প্রাক্-অৰুণোদয় যুগৰ অসমীয়া সাহিত্য | ১৮-২৫ |
| **অধ্যায় ৩ ঃ** | **অৰুণোদয় যুগৰ সাহিত্য — ১**<br>অৰুণোদয় যুগৰ লেখকসকল ঃ অৰুণোদয় যুগৰ খ্ৰীষ্টীয়ান লেখক, অৰুণোদয় যুগৰ অখ্ৰীষ্টীয়ান লেখক; অসমীয়া ভাষা সাহিত্যলৈ *অৰুনোদই* তথা মিছনেৰীসকলৰ অৱদান | ২৬-৪০ |
| **অধ্যায় ৪ ঃ** | **অৰুণোদয় যুগৰ সাহিত্য — ২**<br>অৰুনোদয় যুগত প্ৰকাশিত অসমীয়া বাতৰি কাকত আৰু তাৰ সাহিত্য : *আসাম বিলাসিনী, আসাম নিউজ, মৌ, আসাম বন্ধু* | ৪০-৫৬ |
| **অধ্যায় ৫ ঃ** | **অৰুণোদয় পৰৱৰ্তীকালৰ আধুনিক অসমীয়া সাহিত্য — ১**<br>অৰুণোদয় পৰৱৰ্তীকালৰ আধুনিক অসমীয়া সাহিত্যৰ পটভূমি আৰু বৈশিষ্ট্য; অৰুণোদয় পৰৱৰ্তীকালৰ আধুনিক অসমীয়া সাহিত্য ঃ কবিতা | ৫৭-৬৯ |
| **অধ্যায় ৬ ঃ** | **অৰুণোদয় পৰৱৰ্তীকালৰ আধুনিক অসমীয়া সাহিত্য — ২**<br>চুটিগল্প ; নাটক | ৭০-৮৩ |
| **অধ্যায় ৭ ঃ** | **অৰুণোদয় পৰৱৰ্তীকালৰ আধুনিক অসমীয়া সাহিত্য — ৩**<br>উপন্যাস | ৮৪-৯৪ |
| **অধ্যায় ৮ ঃ** | **অৰুণোদয় পৰৱৰ্তীকালৰ আধুনিক অসমীয়া সাহিত্য — ৪**<br>অৰুণোদয় পৰৱৰ্তীকালৰ অন্যান্য সাহিত্য | ৯৫-১০৬ |
| **অধ্যায় ৯ ঃ** | **স্বাধীনতাৰ পৰৱৰ্তীকালৰ আধুনিক অসমীয়া সাহিত্য — ১**<br>স্বাধীনতাৰ পৰৱৰ্তীকালৰ আধুনিক অসমীয়া সাহিত্যৰ পটভূমি আৰু বৈশিষ্ট্য;<br>স্বাধীনতাৰ পৰৱৰ্তীকালৰ আধুনিক অসমীয়া সাহিত্য ঃ কবিতা | ১০৭-১২৫ |
| **অধ্যায় ১০ ঃ** | **স্বাধীনতাৰ পৰৱৰ্তীকালৰ আধুনিক অসমীয়া সাহিত্য — ২**<br>চুটিগল্প | ১২৬-১৪৫ |
| **অধ্যায় ১১ ঃ** | **স্বাধীনতাৰ পৰৱৰ্তীকালৰ আধুনিক অসমীয়া সাহিত্য — ৩**<br>নাটক | ১৪৬-১৫৬ |
| **অধ্যায় ১২ ঃ** | **স্বাধীনতাৰ পৰৱৰ্তীকালৰ আধুনিক অসমীয়া সাহিত্য — ৪**<br>উপন্যাস | ১৫৭-১৬৯ |
| **অধ্যায় ১৩ ঃ** | **স্বাধীনতাৰ পৰৱৰ্তীকালৰ আধুনিক অসমীয়া সাহিত্য — ৫**<br>স্বৰাজোত্তৰ কালৰ অন্যান্য সাহিত্য — (ক) | ১৭০-১৮২ |
| **অধ্যায় ১৪ ঃ** | **স্বাধীনতাৰ পৰৱৰ্তীকালৰ আধুনিক অসমীয়া সাহিত্য — ৬**<br>স্বৰাজোত্তৰ কালৰ অন্যান্য সাহিত্য — (খ ) | ১৮৩-১৯৬ |
| **প্রসংগপুথি** | | ১৯৭-২০০ |

# পাঠ্যবিষয়ৰ পৰিচয় ঃ আধুনিক অসমীয়া সাহিত্যৰ বুৰঞ্জী (২০০০ খ্ৰীঃ লৈ)

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ে ২০২৩ বৰ্ষৰ পৰা চাৰি বছৰীয়া স্নাতক পাঠ্যক্ৰম (চি.বি.চি.এচ.; এন.ই.পি-২০২০ অনুসৰি) আগবঢ়াবলৈ লৈছে। এই স্নাতক পাঠ্যক্ৰমত অসমীয়া বিষয়টি বুনিয়াদী আৰু বিষয় সম্পৰ্কীয় ঐচ্ছিক পাঠ্যবিষয় হিচাপেও প্ৰদান কৰা হৈছে। বুনিয়াদী বিষয় হিচাপে অধ্যয়ন কৰিব বিচৰাসকলে আঠটা ষাণ্মাসিকত মুঠ ২০ খন আৰু বিষয় সম্পৰ্কীয় ঐচ্ছিক পাঠ্যবিষয় হিচাপে অধ্যয়ন কৰিলে মুঠ ৮ খন পাঠ্যবিষয় অধ্যয়ন কৰিব লাগিব। ইয়াৰে দ্বিতীয়খন পাঠ্যবিষয়ৰ নাম "আধুনিক অসমীয়া সাহিত্যৰ বুৰঞ্জী (২০০০ খ্ৰীঃ লৈ)"। এইখন পাঠ্যবিষয়ত আধুনিক অসমীয়া সাহিত্য সৃষ্টিৰ পটভূমিৰ পৰা আৰম্ভ কৰি ২০০০ খ্ৰীঃ লৈ অসমীয়া সাহিত্যৰ স্বৰূপ কেনে আছিল সেই বিষয়ে বহলাই আলোচনা কৰা হৈছে।

পাঠ্যবিষয়টিৰ প্ৰথমটো অধ্যায় 'প্ৰাক্-স্বাধীনতাকালৰ আধুনিক অসমীয়া সাহিত্য'ত প্ৰাক্-স্বাধীনতাকালৰ সময়ছোৱাৰ আধুনিক অসমীয়া সাহিত্য সৃষ্টিৰ পটভূমি কি আছিল, এই সময়ৰ সাহিত্যৰাজিৰ বৈশিষ্ট্য আৰু এই সময়তনো কি কি সাহিত্যৰ নতুন বিধা আৰম্ভ হৈছিল সেই বিষয়ে বহলাই আলোচনা দাঙি ধৰা হৈছে। দ্বিতীয় অধ্যায়ৰ শিৰোনাম হ'ল 'প্ৰাক্-অৰুনোদয় যুগৰ সাহিত্য'। আমি সকলোৱে জানো যে ১৮২৬ চনত অসম দেশ ব্ৰিটিছৰ অধীন হোৱাৰ পাছত অসমীয়া সাহিত্যই সুঁতি সলাবলৈ আৰম্ভ কৰে। বিশেষকৈ ১৮৪৬ চনত *অৰুনোদই* কাকত প্ৰকাশ হোৱাৰে পৰা এই ধাৰা তীব্ৰ হৈ উঠে। কিন্তু মানৰ আক্ৰমণৰ পৰা *অৰুনোদই* কাকত প্ৰকাশ হোৱাৰ আগলৈকে ৰচিত সাহিত্যৰাজিক প্ৰাক্-অৰুনোদয় যুগৰ সাহিত্য বুলি সাহিত্য সমালোচকসকলে ঠাৱৰ কৰিছে। এই অধ্যায়টোত প্ৰাক্-অৰুনোদয়কালীন অসমীয়া সমাজৰ পটভূমি সম্পৰ্কে আলোকপাত কৰি সেই সময়ত কি কি সাহিত্য সৃষ্টি হৈছিল সেই বিষয়ে বহলাই আলোচনা দাঙি ধৰা হৈছে।

পাঠ্যবিষয়ৰ তৃতীয় অধ্যায়ত পোনে পোনে অৰুনোদই কাকত আৰু অসমীয়া সাহিত্য, অৰুণোদয় যুগৰ খ্ৰীষ্টিয়ান লেখকসকল, অৰুণোদয় যুগৰ অখ্ৰীষ্টিয়ান লেখকসকল, অসমীয়া ভাষা সাহিত্যলৈ অৰুনোদই তথা মিছনেৰীসকলৰ অৱদান সম্পৰ্কে আলচ কৰা হৈছে। ঠিক সেইদৰে চতুৰ্থ অধ্যায়ত অৰুনোদয় যুগত প্ৰকাশিত অসমীয়া বাতৰি কাকত আৰু তাৰ সাহিত্য (*আসাম বিলাসিনী, আসাম নিউজ, মৌ, আসাম বন্ধুৰ* বিশেষ উল্লিখন সহ) অধ্যয়ন কৰিবলৈ নিৰ্ধাৰণ কৰা হৈছে।

আপুনি নিশ্চয় জানে যে অসমীয়া সাহিত্যলৈ ৰোমাণ্টিকতাৰ ধল সুমুৱাই আনিছিল ১৮৮৯ চনত প্ৰকাশ পোৱা *জোনাকী* কাকতখনে। এই কাকতখনক আধাৰ হিচাপে লৈয়েই সেই সময়ছোৱাত সৃষ্টি হ'ল গল্প, কবিতা, নাটক, উপন্যাস আদি সাহিত্যৰ বিবিধ ধাৰা। তাৰ পাছৰে পৰা ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ আগলৈকে অসমীয়া সাহিত্যত বিবিধ নতুন নতুন ধাৰাৰ সাহিত্য সৃষ্টি হ'বলৈ ধৰিলে। এই সময়ছোৱাক "অৰুণোদয় পৰৱৰ্তী কালৰ আধুনিক অসমীয়া সাহিত্য" হিচাপে বিভাজন কৰি মুঠ চাৰিটা অধ্যায়ত আলোচনা দাঙি ধৰা হৈছে। অৰ্থাৎ পাঠ্যবিষয়টিৰ পঞ্চমৰ পৰা অষ্টম অধ্যায়লৈকে আপুনি আৰু অৰুণোদয় পৰৱৰ্তী কালৰ পৰা দেশে স্বাধীনতা লাভ কৰাৰ সময়লৈকে ৰচিত অসমীয়া সাহিত্যৰ বিবিধ ধাৰা সম্পৰ্কে অৱগত হ'ব।

সাহিত্যৰ বোৱতী সুঁতি সদায়েই প্ৰৱহমান হৈ থাকে। কিন্তু সাহিত্যৰ বুৰঞ্জী বিষয়ক পাঠ্যবিষয়ত কিবা এটা নিৰ্দিষ্ট সময়সীমা ধৰি আলোচনা কৰা যুগুত। সেয়ে দেশে স্বাধীনতা লাভ কৰাৰ পাছৰ পৰা বিংশ শতিকাৰ শেষলৈকে অসমীয়া সাহিত্যৰ ধাৰা কেনে আছিল সেই বিষয়ে কৰিবলগীয়া অধ্যয়ন হে এই পাঠ্যবিষয়ত অন্তৰ্ভুক্ত কৰা হৈছে। পাঠ্যবিষয়খনৰ শেষৰ ছটা অধ্যায়ত এই সকলোখিনি আলোচনা সন্নিৰিষ্ট কৰা হৈছে। ধাৰণা কৰা হৈছে এই পাঠ্য বিষয়ৰ অধ্যয়নে আপোনাক আধুনিক অসমীয়া সাহিত্য সম্পৰ্কে এক ব্যাপক ধাৰণা প্ৰদান কৰিব।

এই পাঠ্যবিষয়খন অধ্যয়ন কৰোঁতে মূল পাঠৰ সোঁ তথা বাওঁফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব। এইবোৰত মূল পাঠত থকা নতুন শব্দ আৰু পৰিভাষাসমূহৰ অৰ্থ সন্নিৰিষ্ট হৈছে। সেইদৰে — 'জানি থোৱা ভাল' বাকচবোৰত মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূৰ্ণ তথ্যৰ সম্ভেদ আছে। প্ৰতিটো অধ্যায়ত থকা 'চিন্তা-চৰ্চা কৰক'সমূহে অধ্যয়ন অধিক সক্ৰিয় আৰু ফলপ্ৰসূ হোৱাত সহায় কৰিব। আকৌ, 'অগ্ৰগতি নিৰীক্ষণ'যোগে আগবঢ়োৱা প্ৰশ্নাৱলীয়ে অধ্যয়নৰ অগ্ৰগতি সম্পৰ্কে স্ব-পৰীক্ষণৰ সুবিধা দিব। অধ্যয়নৰ লগে লগে উক্ত প্ৰশ্নাৱলীৰ উত্তৰসমূহ লিখি শেষত দিয়া 'অগ্ৰগতিৰ খতিয়ান'ৰ সৈতে ৰিজাই চোৱাটো অধিক লাভদায়ক হ'ব। অধ্যায়টিত আলোচিত বিভিন্ন ধাৰণাসমূহৰ বিষয়ে বিস্তৃত অধ্যয়নৰ বাবে 'অধিক জানিবলৈ' শিতানত উল্লেখ থকা গ্ৰন্থসমূহ সাৰথিস্বৰূপ। অধ্যায়বোৰৰ শেষত 'আৰ্হি প্ৰশ্ন' হিচাপে কেইটিমান প্ৰশ্নৰ আৰ্হিও তুলি দিয়া হৈছে।